# REGIONAL NEWS UNIT

AKASHVANI : GUWAHATI

0000000000

**Date :** 27-01-2025

**Time :** 21-25 Hrs

# Assamese Night Bulletin

::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ জালুকপাৰাত আয়োজিত এটা অনুষ্ঠানত বিবেকানন্দ কেন্দ্ৰ, ডিব্ৰুগড়ৰ আনন্দালয় ভৱন আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে স্বামী বিবেকানন্দৰ মহান আদৰ্শ সৰোগত কৰি সেৱা আগবঢ়াই অহা বিবেকানন্দ কেন্দ্ৰই আধ্যাত্মিকতাৰ মাধ্যমেৰে আমাৰ সমাজখনক আগবঢ়াই নিয়াত বিশেষ ভূমিকা পালন কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে মহান চিন্তাবিদ আৰু দাৰ্শনিক স্বামী বিবেকানন্দলৈ প্ৰণিপাত জনাই কয়, যে চাহ জনগোষ্ঠী আৰু জনজাতীয় সমাজৰ সেৱাৰ বাবে উৎসৰ্গিত এই আনন্দালয় ভৱনে দক্ষতা উন্নয়ন প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে জনজাতীয় সমাজখনক আগবঢ়াই লৈ যাব। ৰাজ্যত বৰ্তমান থকা ২২০ টা আনন্দালয় ভৱনে চাহ বাগিচাৰ উঠি অহা প্ৰজন্মৰ লগতে জনজাতীয় সমাজখনলৈ শিক্ষামূলক সেৱা আগবঢ়াই আহিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ড° শৰ্মাই কয়, যে প্ৰশিক্ষিত স্থানীয় যুৱকৰ জৰিয়তে প্ৰদান কৰা দৈনিক পাঠদানে চাহ শ্ৰমিকৰ সন্তান তথা জনজাতীয় সম্প্ৰদায়ৰ শিক্ষাৰ্থীসকলৰ শৈক্ষিক উৎকৰ্ষতা আৰু সামগ্ৰিক বিকাশত সহায় কৰি আহিছে।

০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পদ্মভূষণ সন্মানেৰে সন্মানিত যশস্বী সত্ৰীয়া নৃত্য শিল্পী যতীন গোস্বামীক সাক্ষাৎ কৰি সত্ৰীয়া নৃত্যৰ প্ৰসাৰ আৰু প্ৰচাৰ সন্দৰ্ভত বাৰ্তালাপ কৰে। মুখ্যমন্ত্ৰীয়ে আজি শিল্পীগৰাকীৰ গুৱাহাটীৰ নুনমাটিৰ বাসভৱনত উপস্থিত হৈ তেওঁ লাভ কৰা সন্মানৰ বাবে অভিনন্দন জনায়। এই সাক্ষাৎকালত নৃত্য বিশাৰদগৰাকীয়ে সত্ৰীয়া নৃত্যৰ প্ৰসাৰৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীক কেতবোৰ পৰামৰ্শ আগবঢ়ায়। সত্ৰীয়া নৃত্যই যাতে দেশ বিদেশত অধিক প্ৰচাৰ লাভ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলো প্ৰচেষ্টা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়ে। তেওঁ লগতে শিল্পীগৰাকীৰ সুস্বাস্থ্য আৰু দীৰ্ঘ কৰ্মময় জীৱনৰ কামনা কৰে।

০০০

বি টি আৰ চুক্তি আৰু বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উপলক্ষে বিটিচিত শান্তি, সম্প্ৰীতি আৰু উন্নয়নৰ লক্ষ্যৰে আজি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। বড়োলেণ্ড আঞ্চলিক পৰিষদ, বি টি চিৰ উদ্যোগত কোকৰাঝাৰত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত অনুষ্ঠানত আজি **বড়োলেণ্ড এচিভাৰ্ছ এৱাৰ্ড** সমাৰোহৰ আয়োজন কৰা হয়। এই সমাৰোহত অঞ্চলটোৰ উন্নয়নৰ প্ৰতি বিশেষ বৰঙণি আগবঢ়োৱা বিভিন্ন বিভাগৰ সৈতে জড়িত ৮৫ গৰাকী ব্যক্তিৰ লগতে আন ৫৬ গৰাকী ব্যক্তিক স্বীকৃতি প্ৰদান কৰি সন্মান জনোৱা হয়।

অনুষ্ঠানত কাইলৈ কোকৰাঝাৰ গ্ৰীণ ফিল্ডত আয়োজিত মুকলি সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০

অসমৰ লোকসংস্কৃতিলৈ অভূতপূৰ্ব বৰঙণি আগবঢ়োৱা লোকশিল্পী মৃদুল কুমাৰ দাসক আজি কবি আনন্দ চন্দ্ৰ বৰুৱাৰ স্মৃতিত বকুল বন বঁটা আগবঢ়োৱা হয়। বকুলবন ন্যাসৰ উদ্যোগত যোৰহাটৰ মহাপুৰুষ শংকৰদেৱ কলাকৃষ্টি আৰু গৱেষণা কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে লোকশিল্পীগৰাকীক এই বঁটা প্ৰদান কৰে। এই বঁটাত আছে- এখন গামোচা, এখন চেলেং, এটা স্মাৰক, এখন প্ৰশস্তিপত্ৰ, অংগবস্ত্ৰ আৰু নগদ ধন। অনুষ্ঠানত মৃদুল কুমাৰ দাসে বাদ্যযন্ত্ৰ পৰিবেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰি তোলে।

০০০

কেন্দ্ৰীয় যোগাযোগ ব্যুৰোৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ গুৱাহাটীত থকা আঞ্চলিক কাৰ্যালয়ে যোৰহাট জিলাৰ কল্যাণী বাল্য ভৱন ছিনিয়ৰ চেকেণ্ডাৰী স্কুল আৰু বাহনাৰ এটা প্ৰকৃতিপ্ৰেমী অনুষ্ঠানৰ সহযোগত পৰহিলৈ এলানি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। কল্যাণী বাল্য ভৱনৰ ৰূপালী জয়ন্তীৰ লগত সংগতি ৰাখি আয়োজন কৰা এই অনুষ্ঠানত নিচামুক্ত ভাৰত নিৰ্মাণ, যোগ আৰু ধ্যান, স্বচ্ছ ভাৰত অভিযান, এজোপা গছ মাতৃৰ নামত আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। অনুষ্ঠানত কেইবাগৰাকী সমল ব্যক্তিয়ে এই বিষয়সমূহত নিজ নিজ বক্তব্যও আগবঢ়াব।

০০০

বৰপেটা জিলা প্ৰশাসনে দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ মণ্ডল আৰু জিলা পৰ্যায়ৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। এই উদ্দেশ্যে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্তই খেলসমূহ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে সকলোকে আহ্বান জনায়। সভাত স্বাস্থ্য বিভাগে এই প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীসকলৰ প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। উল্লেখযোগ্য যে, অহা ৩ ৰ পৰা ৫ ফেব্ৰুৱাৰীলৈ বৰপেটা জিলাত এহেজাৰ ৪০ জন খেলুৱৈৰ অংশগ্ৰহণেৰে দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ অনুষ্ঠিত হ'ব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ডেৰাডুনৰ আন্তৰ্জাতিক ক্ৰিকেট ষ্টেডিয়ামত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ আনুষ্ঠানিকভাৱে মুকলি কৰিব। অনুষ্ঠানত কমনৱেল্থ গেমছ্ ফেডাৰেচনৰ সভাপতি ক্ৰিছ্ জেনকিনছ্, উত্তৰাখণ্ডৰ ৰাজ্যপাল গুৰমিত সিং, মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামী, ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পিটি ঊষাসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অসম অলিম্পিক সন্থাৰ হৈ সম্পাদক লক্ষ্য কোঁৱৰে উদ্বোধনী অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে ভাগ ল'ব। এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত মুঠ ৩৭ খন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু বিভাগীয় দলে অংশগ্ৰহণ কৰিব।

এই ক্ৰীড়া সমাৰোহৰ শুভ উদ্বোধনী কাইলৈ হ'ব যদিও ইতিমধ্যে বিভিন্ন শিতানৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছে।

০০০

সমাপ্ত